স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

জুন ২০২৩ চন ☐ VOL-13 ☐ NO-110 ☐ SUNDAY 25 JUNE 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH

বেটেনৰ জন্ম
খিতাপ অৰ্জন
স্থা প্ৰত্যাহাৰ

**ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত কাৰ্যসূচী**

# সাহিত্যিক-সাংবাদিকসহ ছয় বিশিষ্ট মহিলাক ডিব্ৰুগড়ত উষাৰাণী লেখাৰু বঁটা



**সন্মান প্ৰদান গীতালি মহন্ত-পৰীণিতা হাজৰিকা দীপালী নেওগ-অনু চান্দ এনিশা ওৰাং-বি কে চুমিক**

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৪ জুন ঃ ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত আজি উষাৰাণী লেখাৰু তৃতীয় বাৰ্ষিক সোঁৱৰণী বঁটা প্ৰদানৰ উদ্দেশ্যে অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট লেখিকা, সুপ্ৰতিষ্ঠিত কবি, গীতিকাৰ আৰু আদৰ্শ মাতৃ উষাৰাণী লেখাৰুৰ পৰিয়ালবৰ্গই প্ৰতি বছৰে প্ৰয়াত ১০ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-13 ☐ NO-110 ☐ SUNDAY 25 JUNE 2023 (ডিব্ৰুগড় সংস্কৰণ/

# সাহিত্যিক-সাংবাদিকসহ ছয় বিশিষ্ট মহিলাক ডিব্ৰুগড়ত

বিশিষ্ট লেখিকাগৰাকীৰ ওপজা দিনটোত সমাজৰ বিভিন্ন ক্ষেত্ৰত নিষ্ঠাসহকাৰে কাম কৰি যোৱা ব্যক্তিক সোঁৱৰণী বঁটা প্ৰদান কৰি আহিছে। এই উপলক্ষে ২০২৩ বৰ্ষৰ উষাৰাণী লেখাৰুৰ ৭২সংখ্যক ওপজা দিনৰ সোঁৱৰণী বঁটা বিভিন্ন ক্ষেত্ৰত কাম কৰি যোৱা ছয়গৰাকী মহিলা তথা যুৱতীক অনুষ্ঠানটোত উপস্থিত থাকি প্ৰদান কৰে পৰিয়ালবৰ্গৰ হৈ ক্ৰমে স্বামী দিলীপ লেখাৰু, অধিবক্তা চুইটী লেখাৰু আৰু শিক্ষয়িত্ৰী বিউটী লেখাৰুৱে। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, বিশিষ্ট চিকিৎসক মৃগাংগ বৰুৱা, ড° ৰুণুমা শৰ্মা, বিশিষ্ট সমাজসেৱক শ্বৰীফ আহমেদ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, কানৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° অভিজিৎ বৰুৱাকে প্ৰমুখ্য কৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত বঁটা প্ৰদান কৰা হয় ক্ৰমে ব্ৰহ্মাকুমাৰী তথা চাবুৱা কেন্দ্ৰৰ সঞ্চালিকা বি কে চুমি, মহিলা খোলবাদক, লোক-সংগীতৰ সাধক, সাহিত্যিক, সমাজসেৱী তথা সংবাদসেৱী গীতালি মহন্ত, আঠাইশ বছৰে সংবাদ ক্ষেত্ৰত থাকি একনিষ্ঠাৰে সমাজৰ হৈ কাম কৰি যোৱা ডিব্ৰুগড়ৰ জ্যেষ্ঠ মহিলা সাংবাদিক পৰীণিতা হাজৰিকা, নিষ্ঠাৱান স্বাস্থ্যকৰ্মী দীপালী নেওগ, কৃতী ছাত্ৰী অনু চাহু আৰু এনিশা ওৰাঙক বঁটা প্ৰদান কৰা হয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে উষাৰাণী লেখাৰু এগৰাকী আদৰ্শ মাতৃ আছিল। তেওঁ চাৰিগৰাকী কন্যাক মানুহ কৰি তুলিছিল। উল্লেখ্য যে প্ৰয়াত উষাৰাণী লেখাৰু বঁটাত আটাইকেইগৰাকী বঁটাপ্ৰাপকক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে এখন প্ৰশস্তি-পত্ৰ, এটা স্মাৰক তথা পাঁচ হাজাৰকৈ নগদ ধনেৰে সন্মান জনোৱা হয়। উল্লেখ্য যে দিলীপ লেখাৰু আৰু প্ৰয়াত উষাৰাণী লেখাৰুৰ প্ৰথমগৰাকী কন্যা, ছুইজাৰলেণ্ড নিৱাসী ডাঃ ডেইজী লেখাৰু গ্ল'বেল ফাণ্ডৰ পৰামৰ্শদাতা হিচাপে কৰ্মৰত হৈ পৃথিৱীবাসীক সেৱা কৰি আছে। দ্বিতীয়গৰাকী কন্যা আহমেদাবাদৰ এখন চিকিৎসা মহাবিদ্যালয়ত অধ্যাপিকা ৰূপে কৰ্মৰত হৈ আছে।